No. of Printed Pages—4

844 (ASM5C)

[20-HRGPNW–D5S(N)21A]

BA 5th Semester (New) Exam., 2020 (W)

ASSAMESE

[GAS S5–03 (M)]

(পালি-প্রাকৃত অধ্যয়ন)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক : 1×8=8

(i) পালি ভাষাৰ স্বৰধ্বনি পৰিৱৰ্তনৰ পদ্ধতি কেইটা আৰু কি কি ?

(ii) সংস্কৃত দ্বিস্বৰ পালিত কেনেদৰে পৰিৱৰ্তন হ'ল, উদাহৰণসহ লিখক।

(iii) সংস্কৃত 'ঋ'-কাৰ প্ৰাকৃততে কি কি ধ্বনিলৈ পৰিৱৰ্তন হ'ল, দুটা উদাহৰণ দিয়ক।

(iv) প্ৰাকৃত ভাষাৰ দন্ত্য ব্যঞ্জন কেইটা আৰু কি কি ?

(v) 'ধম্মপদ'ক কোনে 'মংগলময় ধৰ্ম বা নিৰ্বাণ উপলব্ধিৰ পন্থা' বুলি অভিহিত কৰিছে ?

(vi) 'ধম্মপদ' শব্দৰ অৰ্থ কি ?

(vii) অপ্ৰমাদ মানে কি ?

(viii) প্ৰাকৃতৰ সংস্কৃতানুগ সন্ধিৰ দুটা উদাহৰণ দিয়ক।

(b) শুদ্ধ উত্তৰটো বাছি উলিয়াওক : 1×4=4

(i) কালিদাস মহামাণিক্যৰ / বিক্রমাদিত্যৰ / ধর্মনাৰায়ণৰ সভাকবি আছিল।

(ii) 'মালবিকাগ্নিমিত্রম্' কালিদাসৰ / আব্দুৰ ৰহমানৰ / বিদ্যাপতিৰ ৰচনা।

(iii) 'ম্লেচ্ছদেশ' ভাৰতবর্ষৰ পূব / দক্ষিণ / পশ্চিম প্রান্তত অৱস্থিত।

(iv) শৌৰসেনী প্রাকৃতৰ পৰা উদ্ভৱ হোৱা এটা ভাষা হৈছে মাৰাঠী / উৰিয়া / গুজৰাটী।

(c) খালী ঠাঁই পূৰ কৰক : 1×4=4

(i) 'সন্দেশ ৰাসক'ত দেখা পোৱা গুজৰাটী ভাষাৰ এটা বৈশিষ্ট্য হৈছে _____.

(ii) 'সন্দেশ ৰাসক'ত থকা এটা দেশী শব্দ হ'ল _____.

(iii) অপভ্রংশৰ সময় হৈছে _____ পৰা _____লৈ।

(iv) অপভ্রংশত অন্ত্যস্থিত দীর্ঘস্বৰে হ্রস্বতা লাভৰ এটা উদাহৰণ হৈছে _____.

2. তলৰ যি কোনো **পাঁচটাৰ** অর্থ লিখক (প্রতিটো প্রায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) সেখো পঠবিং বিজেস্সতি
যমলোকং চ ইমং সদেৱকং।
সেখো ধম্মপদং সুদেসিতং
কুসলো পুপ্ফমি'ৱ পচেস্সতি॥

(b) পমাদং অপ্পমাদেন যথা নুদতি পণ্ডিতো।
পঞ্ঞাপাসাদমৰুয্হ অসোকো সোকিনিংপজং।
পৰ্ৱতট্ঠো'ৱ ভুম্মট্ঠে ধীৰো বালে অৱেক্খতি॥

(c) ফুল্লুক্কৰং কমলকূৰসমং বহন্তি
জে সিন্ধুবাৰবিভবা মহ বল্লহা তে।
জে গালিঅস্স মহিসীদহিনো সৰিচ্ছা
তে কিং চ মুদ্ধবিঅইল্লপসূন পুঞ্জো॥

(d) ভষ্টকে মা এৱং ভণ—
শহযে কিল যে বিনিন্দিদে
ন হু শে কম্ম বিবস্যনীঅকে
পশুমালী কলেদি দালুনং
অনুকম্পামিদুলে শোনিকে

(e) অহৱা ণ ইত্থ দোসো জই উইয়ং সসহৱেণ নিসিসময়ে।
তা কিং ণ হু জোইজ্জই ভু অনে ৱয়নীষু জোইক্খং॥

(f) মানুস্সদিৱ্ব বিজ্জাহৱেহিঁ নহমগ্গি সুৱ-সাসিবিম্বে।
আত্রাহিঁ জো নমিজ্জই তং নয়ৱে নমহ কত্তাৱং॥

3. তলৰ যি কোনো **ছয়টা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ১২০ শব্দৰ ভিতৰত) : 4×6=24

(a) পালি ভাষাৰ আদি অৱস্থানৰ সংযুক্ত ব্যঞ্জনৰ পৰিৱর্তনৰ বিষয়ে লিখক।

(b) প্রাকৃত ভাষাৰ মধ্য ব্যঞ্জনৰ পৰিৱর্তন কেনেদৰে হয়, উদাহৰণসহ দেখুৱাওক।

(c) প্রাকৃতত শব্দৰূপৰ বিভক্তি প্রয়োগৰ বৈশিষ্ট্যসমূহ লিখক।

(d) ধম্মপদৰ বিষয়বস্তুৰ বিষয়ে এটা টোকা যুগুত কৰক।

(e) কালিদাসৰ শাস্ত্রবৈদগ্ধ্যৰ বিষয়ে চমুকৈ আলোচনা কৰক।

(f) 'অভিজ্ঞানশকুন্তলম্'ৰ ভাষাৰ বিষয়ে এটা টোকা যুগুত কৰক।

(g) অপভ্রংশৰ ধাতুৰূপগত বৈশিষ্ট্যসমূহ লিখক।

4. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×5=30

(a) পালি ভাষাৰ লিঙ্গৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

(b) ত্ৰিপিটক বহিৰ্ভূত সাহিত্যৰ বিষয়ে এটা আলোচনা দাঙি ধৰক।

(c) প্ৰাকৃতৰ ধৰ্মনিৰপেক্ষ সাহিত্যৰ শ্ৰেণীসমূহ উল্লেখ কৰি আলোচনা দাঙি ধৰক।

(d) ৰাজশেখৰৰ সাহিত্যকীৰ্ত্তিসমূহৰ বিষয়ে এটা বিশ্লেষণ আগবঢ়াওক।

(e) 'কৰ্পূৰমঞ্জৰী'ৰ চণ্ডপাল, বিদূষক আৰু ভৈৰৱানন্দ—চৰিত্ৰকেইটাৰ বিষয়ে আলোচনা কৰক।

(f) দূত কাব্য হিচাপে 'সন্দেশ ৰাসক'ৰ এটা বিশ্লেষণ দাঙি ধৰক।

★★★